মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, APRIL 09, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১০১ Guwahati, Assam ।। মূল্যঃ এটকা

## এন্দুৰে খালে আৰক্ষীয়ে জব্দ কৰা গাঞ্জা!

**ৰাঁচী, ৮ এপ্ৰিলঃ** আৰক্ষীয়ে অভিযান চলাই জব্দ কৰা গাঞ্জা আৰক্ষীৰ গুদামতে খাই তহিলং কৰিলে 'ভাওৰ' এন্দুৰে। আদালতত এই দাবী কৰিছে শেষাংশ ৫ পৃষ্ঠাত

## কম দামত ভাল মদ! অন্ধ্ৰৰ ৰাইজক প্ৰতিশ্ৰুতি দিলে চন্দ্ৰবাবু নাইডুৱে



**অমৰাৱতী, ৮ এপ্ৰিলঃ** নিৰ্বাচনী প্ৰচাৰত এইবাৰ ভোটাৰক কম দামত উন্নত মানৰ সুৰা প্ৰদানৰ লালসা। লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশত অনুষ্ঠিত শেষাংশ ৫ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে আয়োগৰ দ্বাৰস্থ কংগ্ৰেছ

**নতুন দিল্লী, ৮ এপ্ৰিলঃ** কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰক মুছলিম লীগৰ মতামতৰ সৈতে তুলনা কৰা আৰু 'বিকাশ ভাৰত' অভিযানৰ অধীনত দিল্লী বিশ্ববিদ্যালয়ৰ অধীনস্থ বিভিন্ন মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী শেষাংশ ৩ পৃষ্ঠাত

## ‘কা’ আন্দোলন ফাঁকি আছিলঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, সোণাৰি, ৮ এপ্ৰিলঃ** 'কা' আন্দোলনটো ফাঁকি কথাৰ ওপৰত নিৰ্ভৰশীল আছিল। বিৰোধীয়ে মিছা কথা কৈ আৱেগৰ ৰাজনীতি কৰি আছে। কেইদিনমানৰ পাছত তেওঁলোকে অসমৰ ৰাইজক উত্তৰ দিব লাগিব। অসমলৈ ট্ৰাকে ট্ৰাকে মানুহ আহিব বুলি আভুৱা ভাৰি আন্দোলন কৰিছিল তেওঁলোকে। কিন্তু, এতিয়ালৈকে দেখোন এজনো অবৈধ লোক অসমলৈ অহা নাই। 'কা' বলৱৎ হোৱা ইমান দিনৰ পাছত আজিলৈকে মাত্ৰ এজন শেষাংশ ৪ পৃষ্ঠাত

## হাগ্ৰামাৰ সংগ ত্যাগ চন্দন ব্ৰহ্মৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৮ এপ্ৰিলঃ** ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী, বিপিএফৰ প্ৰতিষ্ঠাপক নেতা চন্দন ব্ৰহ্মই অহা ১২ এপ্ৰিলত শেষাংশ ৩ পৃষ্ঠাত

## বিত্তমন্ত্ৰী সীতাৰমণৰ অৰ্থনীতিবিদ স্বামীৰ আশংকা প্ৰকাশ

# পুনৰ মোদী প্ৰধানমন্ত্ৰী হ’লে সলনি কৰিব সংবিধান!

**ই-সংবাদ বিশেষ, ৮ এপ্ৰিলঃ** দেশত একনায়কত্ববাদৰ সূচনা কৰিব বিচাৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিয়ে। শেহতীয়াকৈ এই অভিযোগ উত্থাপন কৰি আহিছে বিভিন্নজনে। সংবিধান ৰক্ষাৰ হকে এতিয়াই যুঁজত অৱতীৰ্ণ নহ'লে অতি শীঘ্ৰে ভাৰতৰ পৰিস্থিতি ৰাছিয়া আৰু উত্তৰ কোৰিয়াৰ দৰে হৈ পৰিব বুলিও আশংকা ব্যক্ত কৰিছে বিভিন্নজনে। শেষাংশ ২ পৃষ্ঠাত



নগাঁও লোকসভা সমষ্টিৰ লাহৰীঘাটৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ, সোমবাৰে

### নগৰবেৰাত ঘপিয়াই হত্যা পত্নী-কন্যাক

■ সবিশেষ ৫ পৃষ্ঠাত

### লাহে লাহে সুস্থ হৈ আহিছে ৰংবং তেৰাং

■ সবিশেষ ৫ পৃষ্ঠাত চাওক

### উত্তপ্ত দিল্লী, মমতা বাহিনীৰ ধৰ্ণা প্ৰদৰ্শন

■ সবিশেষ ২ পৃষ্ঠাত

### ওৰাঙত পথ দুৰ্ঘটনা, থিতাতে নিহত ৩ জন

■ সবিশেষ বাতৰি ৪ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ মোদী প্ৰধানমন্ত্ৰী হ'লে

শেহতীয়াকৈ এগৰাকী জনপ্ৰিয় ইউটিউবাৰে ভাৰত ক্ৰমশঃ একনায়কত্ববাদৰ দিশলৈ গতি কৰা বুলি এক ভিডিঅ'যোগে দাবী কৰাৰ পিছতে ইয়াক লৈ সামাজিক মাধ্যমতো আৰম্ভ হ'বলৈ ধৰিছে ব্যাপক চৰ্চা। ২০২৪ৰ লোকসভা নিৰ্বাচনেই দেশৰ অন্তিমটো নিৰ্বাচন হ'ব পাৰে বুলিও অনেকে আশংকা ব্যক্ত কৰিছে এতিয়া। এনে সময়তে এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ শাসনক লৈ বিস্ফোৰক মন্তব্য কৰিছে বিজেপি নেত্ৰী তথা মোদী চৰকাৰৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ স্বামী তথা প্ৰখ্যাত অৰ্থনীতিবিদ পাৰকলা প্ৰভাকৰক। এক ভিডিঅ'যোগে অৰ্থনীতিবিদ পাৰকলা প্ৰভাকৰে দাবী উত্থাপন কৰিছে যে নৰেন্দ্ৰ মোদী পুনৰ এবাৰ প্ৰধানমন্ত্ৰী হ'লে দেশৰ মানচিত্ৰই সলনি হৈ যাব। ইয়াৰ সমান্তৰালভাৱে আজি লাডাখ আৰু মণিপুৰত সৃষ্টি হোৱা অশান্তসদৃশ পৰিস্থিতিৰ সমগ্ৰ দেশতে সৃষ্টি হ'ব বুলিও ভৱিষ্যদ্বাণী কৰিছে পাৰকলা প্ৰভাকৰে। প্ৰখ্যাত অৰ্থনীতিবিদগৰাকীয়ে কয় যে ২০২৪ চনৰ লোকসভা নিৰ্বানত প্ৰধানমন্ত্ৰী তথা বিজেপি নেতা নৰেন্দ্ৰ মোদী পুনৰ এবাৰ নিৰ্বাচিত হ'লে সংবিধান আৰু দেশৰ মানচিত্ৰ সলনি কৰি পেলাব। তেওঁ লগতে কয় যে যদি নৰেন্দ্ৰ মোদী ২০২৪ চনত পুনৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়, তেন্তে দেশত আৰু দুনাই নিৰ্বাচন অনুষ্ঠিত নহ'ব। তেওঁ কয়, "..দেশত আৰু এটা নিৰ্বাচনৰ আশা এৰি দিয়ক। যদি এই চৰকাৰ পুনৰ এবাৰ ক্ষমতালৈ আহে, তেন্তে নিৰ্বাচন অনুষ্ঠিতই নহ'ব। " প্ৰধানমন্ত্ৰী মোদী আৰু তেওঁৰ মন্ত্ৰীসভা পুনৰ ক্ষমতালৈ আহিলে সংবিধান আৰু মানচিত্ৰ সলনি হ'ব বুলিও দাবী কৰে নিৰ্মলা সীতাৰমনৰ অৰ্থনীতিবিদ স্বামীয়ে। ইফালে বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী মোদীয়ে দিয়া বক্তব্যৰ উদ্ধৃতি দি প্ৰভাকৰে কয় যে বিজেপি পুনৰ ক্ষমতালৈ আহিলে লালকিল্লাৰ পৰা ঘৃণামূলক ভাষণ বিয়পোৱা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে খোদ লালকিল্লাৰ পৰা ঘৃণামূলক ভাষণ দিব। মোদী পুনৰ ক্ষমতালৈ আহিলে মুকলিকৈ দেশত ঘৃণা বিয়পোৱা হ'ব বুলিও সকীয়াই দিয়ে নিৰ্মলা সীতাৰমণৰ স্বামী অৰ্থনীতিবিদ পাৰকলা প্ৰভাকৰে। তেওঁ লগতে উল্লেখ কৰে যে কুকি আৰু মেইটেই সম্প্ৰদায়ৰ মাজত হোৱা জাতিগত সংঘৰ্ষৰ বাবে মণিপুৰত যি অশান্তিৰ সৃষ্টি হৈছিল, মোদী ক্ষমতালৈ আহিলে সেয়া সমগ্ৰ ভাৰততে নিয়ম হৈ পৰিব। উল্লেখ্য যে, ইয়াৰ পূৰ্বে মাৰ্চ মাহত প্ৰভাকৰে এটা টেলিভিছন নিউজ চেনেলৰ সৈতে হোৱা কথা-বতৰাত কয় যে "ইলেক্টৰেল বণ্ড কেলেংকাৰী কেৱল ভাৰতৰ আটাইতকৈ ডাঙৰ কেলেংকাৰী নহয়, বৰঞ্চ বিশ্বৰ ভিতৰতে আটাইতকৈ ডাঙৰ কেলেংকাৰী। তেওঁ কয় "নিৰ্বাচনী বণ্ডৰ দুৰ্নীতি ৰাজহুৱা হোৱাৰ পিছত এতিয়া দুটা মিত্ৰতাৰ মাজত নহয়, বিজেপি আৰু ভাৰতৰ জনসাধাৰণৰ মাজতহে যুঁজ চলিছে।" প্ৰাসংগিকভাৱে বিত্তমন্ত্ৰী সীতাৰমণে যোৱা মাহত কৈছিল যে অন্ধ্ৰপ্ৰদেশ বা তামিলনাডুৰ পৰা লোকসভা নিৰ্বাচনত যুঁজিবলৈ বিজেপিৰ সভাপতি জে পি নাড্ডাৰ প্ৰস্তাৱ তেওঁ নাকচ কৰিছে। ইয়াৰ কাৰণ হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ তেওঁৰ ওচৰত ধন নাছিল বুলি মন্তব্য কৰে নিৰ্মলা সীতাৰমণে। পৰাকলাৰ এই মন্তব্যই এতিয়া সৃষ্টি কৰিছে চাঞ্চল্যৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তপ্ত দিল্লী, মমতা বাহিনীৰ

**নতুন দিল্লী, ৮ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে প্ৰতিবাদী ৰূপত বিৰোধী। কেন্দ্ৰীয় সংস্থাৰ অপব্যৱহাৰৰ অভিযোগত দিল্লীত ধৰ্ণাত বহিল তৃণমূল কংগ্ৰেছ। বিজেপিৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাৰ অপব্যৱহাৰৰ অভিযোগ উত্থাপন কৰি সোমবাৰে দিল্লীত নিৰ্বাচন আয়োগৰ পূৰ্ণ বিচাৰপীঠক সাক্ষাত্ কৰে তৃণমূল কংগ্ৰেছৰ এটা দহজনীয়া প্ৰতিনিধিৰ দলে। প্ৰতিনিধি দলটোৱে আয়োগৰ সন্মুখত অভিযোগ আৰু দাবী দাখিল কৰি ওলাই অহাৰ পিছতে প্ৰতিবাদত বহে।  ইফালে তৃণমূল কংগ্ৰেছৰ সাংসদসকলে ২৪ ঘণ্টা ধৰ্ণা সাব্যস্ত কৰিব বুলি ঘোষণা কৰে যদিও কেইমিনিটমান পিছতে ধৰ্ণাস্থলীত দিল্লী আৰক্ষী উপস্থিত হৈ প্ৰতিবাদকাৰী সাংসদসকলক সেই স্থানৰ পৰা আঁতৰাই পঠিয়াবলৈ চেষ্টা চলায়। পৰিণামস্বৰূপে দুয়ো পক্ষৰ মাজত হোৱা মতযুদ্ধৰ পিছতে আৰক্ষীয়ে আটাইকেইগৰাকী টিএমচি নেতাক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ যায়। মন কৰিবলগীয়া যে, ভূপতিনগৰত ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাৰ ভূমিকাক লৈ 'অতি সক্ৰিয়তা'ৰ অভিযোগ উত্থাপন কৰি সোমবাৰে নিৰ্বাচন আয়োগক সাক্ষাৎ কৰিবলৈ সময় বিচাৰিছিল তৃণমূলে। সন্ধিয়া ৪ বজাত পশ্চিম বংগৰ শাসকীয় দলক সময় দিয়া হয়। সেই অনুসৰি তৃণমূলৰ প্ৰতিনিধি দলটো আয়োগৰ কাৰ্যালয়লৈ যায়। সেই দলটোত আছিল ডেৰেক অ'ব্ৰাইন, মহম্মদ নদিমুল হক, ডোলা সেন, সাকেট গোখলে, সাগৰিকা ঘোষ, বিবেক গুপ্তা, অৰ্পিতা ঘোষ, শান্তনু সেন, অভিৰঞ্জন বিশ্বাস আৰু সুদীপ ৰাহা। আয়োগৰ কাৰ্যালয়ৰ পৰা ওলাই আহি সাংবাদিকসকলৰ সন্মুখত তৃণমূলৰ সাংসদ ডোলা সেনে কয় যে তেওঁলোকে মূলতঃ মুখ্য আয়ুক্ত আৰু দুজন আয়ুক্তক দুটা দাবী উত্থাপন কৰিছে। তেওঁ কয় "আমি আয়োগক সন্মান কৰো। আমি সমতল খেলপথাৰত খেলিব বিচাৰো। বিজেপিৰ জমিদাৰী বন্ধ কৰিব লাগে। চাৰিটা সংগঠনৰ মুৰব্বীক শীঘ্ৰে সলনি কৰিবলৈ দাবী জনাইছো। যাতে বিজেপিয়ে তেওঁলোকক খেলাৰ আহিলা বুলি ভাবিব নোৱাৰে।" তৃণমূলৰ প্ৰতিনিধি দলটোৱে এই কেন্দ্ৰীয় সংস্থাসমূহ কেন্দ্ৰই নিজৰ উদ্দেশ্যত ব্যৱহাৰ কৰা বুলিও অভিযোগ উত্থাপন কৰে। ইয়াৰোপৰি তেওঁলোকৰ বিৰুদ্ধেও কেন্দ্ৰীয় সংস্থাৰ অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে তৃণমূলৰ প্ৰতিনিধিসকলে। ইফালে প্ৰতিবাদকাৰী তৃণমূলৰ প্ৰতিনিধি দলৰ অংশ হিচাপে থকা সাকেট গোখলেয়ে ছচিয়েল মিডিয়া ছাইট এক্সত লিখিছে, 'দিল্লী আৰক্ষীয়ে আমাক অপহৰণ কৰিলে। আমি আয়োগৰ সন্মুখত প্ৰতিবাদ কৰিলোঁ। আমাক তাৰ পৰাই অপহৰণ কৰা হ'ল। মন্দিৰ মাৰ্গ থানালৈ লৈ যোৱা বুলি কোৱা হৈছে। ইয়াৰ পিছত আমি দেখিলোঁ আমাৰ বাছখন ঘূৰাই ঘূৰাই অচিনাকি ঠাইলৈ লৈ যোৱা হৈছে। আমি আয়োগক অনতিপলমে হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনাইছো।'

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাগ্ৰামাৰ সংগ ত্যাগ চন্দন ব্ৰহ্মৰ

যোগদান কৰিব ইউপিপিএল দলত। সোমবাৰে এই কথা সদৰী কৰে দীৰ্ঘকাল ধৰি বিপিএফৰ কেন্দ্ৰীয় উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা চন্দন ব্ৰহ্মই। আজি পুৱাৰ ভাগত চিৰাঙৰ চাপাগুৰিস্থিত চিগনেট পাৰ্ক হোটেলত আয়োজিত এক সংবাদমেলযোগে প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্মই আনুষ্ঠানিকভাৱে প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল দলত যোগদান কৰাৰ কথা ৰাজহুৱা কৰে। তেওঁ প্ৰকাশ কৰা মতে, অহা ১২ এপ্ৰিলৰ আবেলি চাৰি বজাত চিৰাঙৰ সদৰ কাজলগাঁৱত তেওঁ ইউপিপিএল দলত যোগদান কৰিব। উক্ত দিনা তেওঁৰ লগতে কেবাটাও দল-সংগঠনৰ লোকে ইউপিপিএল দলত যোগদান কৰিব বুলি জানিব পৰা গৈছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে, ইউপিপিএল দলত যোগদান কৰাৰ সিদ্ধান্ত হৈছে সময়ৰ আহ্বান। অঞ্চলটোৰ স্থায়ী শান্তি স্থাপন, উন্নয়ন আৰু প্ৰগতিৰ হকে কাম কৰাৰ বাবে তেওঁ এই সিদ্ধান্ত লোৱা বুলিও জানিবলৈ দিয়ে।উল্লেখ্য যে বেছ কিছুদিন ধৰি চন্দন ব্ৰহ্মই হাগ্ৰামাৰ সংগ এৰিব বুলি চৰ্চা হৈ আহিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে আয়োগৰ

নৰেন্দ্ৰ মোদীৰ বিশাল হৰ্ডিং আৰু বেনাৰ স্থাপন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছে। ইতিমধ্যে এই অভিযোগ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ ওচৰত এজাহাৰো দাখিল কৰিছে কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ, ছলমান খুৰশ্বিদ, মুকুল ৱাছনিক, পৱন খেড়া আৰু গুৰদ্বীপ সপ্পালে। সোমবাৰে কংগ্ৰেছে নিৰ্বাচন আয়োগৰ ওচৰত আচৰণ বিধি উলংঘাৰ ৬টা অভিযোগ দাখিল কৰে, যাৰ ভিতৰত দুটা অভিযোগ প্ৰধানমন্ত্ৰী মোদীৰ বিৰুদ্ধে দাখিল কৰা হৈছে। উল্লেখ্য যে, যোৱা সপ্তাহত কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলিৰ পিছতে এই ইস্তাহাৰখনক মুছলিম লীগৰ মতামতৰ সৈতে তুলনা কৰিছিল নৰেন্দ্ৰ মোদীয়ে। কংগ্ৰেছে কয় যে নিৰ্বাচনী ইস্তাহাৰক মুছলিম লীগৰ মতামতৰ সৈতে তুলনা কৰাটো দেশক বিভাজন কৰাৰ প্ৰয়াস। ইফালে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পিছত দিল্লী বিশ্ববিদ্যালয়ৰ অধীনস্থ একাধিক মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰীৰ বিশাল হৰ্ডিং আৰু বেনাৰ স্থাপন কৰাটো নিৰ্বাচনী আচৰণবিধিৰ উলংঘা বুলি দাবী কৰে কংগ্ৰেছে। নিৰ্বাচন আয়োগক এই সন্দৰ্ভত অভিযোগ দাখিল সন্দৰ্ভত জয়ৰাম ৰমেশে টুইট কৰি কয়, "আমি আশা কৰিছো যে আয়োগে সাংবিধানিক মূল্যবোধক সুৰক্ষা দিব। আমি এই চৰকাৰখনক উদঙাই দিবলৈ সকলো ৰাজনৈতিক আৰু আইনী পথ অনুসৰণ কৰি যাম।" ইফালে নিৰ্বাচনৰ সময়ত ৰাজনৈতিক অভিপ্ৰায়ৰে 'কেৰালা ষ্টৰী' ছবিখন টেলিকাষ্ট কৰাৰ বাবে দূৰদৰ্শনৰ বিৰুদ্ধেও নিৰ্বাচন আয়োগক এজাহাৰ দাখিল কৰা হৈছে। এনেদৰে এতিয়া কেবাবাকো নিৰ্বাচনী আয়োগৰ দ্বাৰস্থ হৈ ন্যায় বিচাৰিছে কংগ্ৰেছে।

# তামুলপুৰত ১৭-১৮ এপ্ৰিলত বিহু সন্মিলন

**ই-সংবাদ, তামুলপুৰ, ৮এপ্ৰিলঃ** তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনৰ উদ্যোগত হেপাহৰ বিহু উদযাপন কৰিবলৈ প্ৰস্তুতি চলাই থকা হৈছে। শ্ৰীশ্ৰীমন্ত শংকৰদেৱ শাখা সত্ৰ প্ৰাংগণত অহা ১৭ আৰু ১৮ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬১ সংখ্যক ৰঙালী বিহু উদযাপন কৰা হ'ব। বিধায়ক জলেন দৈমাৰীক সভাপতি চমেন পাঠকক কাৰ্যকৰী সভাপতি আৰু ভূপেন্দ্ৰ কলিতাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি, কেইবাখনো উপ-সমিতি সহ গঠন কৰা হৈছে। উদযাপন সমিতিয়ে প্ৰকাশ কৰা কাৰ্যসূচী অনুসৰি ১৭ এপ্ৰিলৰ পুৱা ৯ বজাত বিহু পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি জলেন দৈমাৰীয়ে। ৯.৩০ বজাত স্মৃতি তৰ্পন কৰিব তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনৰ স্থায়ী সমিতিৰ সভাপতি ডা০ ৰমেন কুমাৰ কাকতি আৰু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি চমেন পাঠকে। ১০ বজাত তোৰণ উন্মোচন কৰিব বিটিআৰৰ এমচিএলএ হেমন্ত কুমাৰ ৰাভাই। ৰভাতলী মুকলি কৰিব আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ ৰাজ্যিক সভাপতি দয়াল দাসে। আশীৰ্বাদ অনুষ্ঠান আৰু বিহু উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'ৰঙিলী' উন্মোচন কৰিব তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নাৰায়ন চন্দ্ৰ ব্ৰহ্মই। পৰম্পৰাগত খেলধেমালি প্ৰতিযোগিতা, দিনৰ এক বজাত বিহুৱান প্ৰতিযোগিতা, দুই বজাত জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শনৰ দিহা কৰা হৈছে। আবেলি তিনি বজাত মুকলি বিহু আৰু বৈশাগু নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব ছাত্ৰ আৰু যুৱ কল্যাণ পৰিষদৰ ৰাজ্যিক পৰামৰ্শদাতা সমিতিৰ সদস্য সচিব গীতাৰ্থ গোস্বামী আৰু বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপাল জালান। সন্ধিয়া সৰু বিহুৱতী প্ৰতিযোগিতা, নিশা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হ'ব। সাংস্কৃতিক সন্ধিয়া মুকলি কৰিব বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেবেন বড়োৱে। ৫ ব'হাগৰ পুৱা মাৰাথান দৌৰ প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, কামৰূপী লোকগীত, ভেশচন প্ৰতিযোগিতা আৰু সন্ধিয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠ্ত হ'ব। সাংস্কৃতিক সন্ধিয়াৰ শুভাৰম্ভ কৰিব বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। সাংস্কৃতিক সন্ধিয়াত শিল্পী কুসুম কৈলাস, ৰবীন বড়োৰ লগতে ভালেমান শিল্পীয়ে সংগীতানুষ্ঠান পৰিবেশন কৰিব বুলি জানিব পৰা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ওৰাঙত পথ দুৰ্ঘটনা, থিতাতে

**ই-সংবাদ, ওদালগুৰি ৮ এপ্ৰিলঃ** কালি নিশা প্ৰায় ৯ বজাত ওদালগুৰি জিলাৰ ওৰাঙৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘনা। দুৰ্ঘটনাটোত তিনিগৰাকী লোকৰ মৃত্যু হয়। ঘটনাটো সংঘটিত হয় ওৰাং আৰক্ষী থানাৰ সন্মুখত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত। তেজপুৰ গৰুবন্ধাৰ পৰা ওৰাং চাহ বাগিছাৰ আত্মীয় বিৱাহ অনুষ্ঠান অভিমুখে আহি থকা এএছ ১২ ৱাই ২২৬৩ নম্বৰৰ গ্ৰেণ্ড আই টেন খনে ওৰাং আৰক্ষী থানাৰ সন্মুখত ৰৈ থকা ডব্লিউবি ১১ডি ৩৭০৫ নম্বৰৰ ট্ৰাক কন্টেইনাৰ খনৰ পিছফালে প্ৰচণ্ড জোৰে খুণ্ডা মাৰে। ঘটনাটো ইমানেই ভয়াৱহ আছিল যে আইটেন গাড়ীখন চেপেটা হৈ কন্টেনাৰ গাড়ীখনৰ তলেৰে সোমাই যায়। ফলত ঘটনাস্থলীত থিতাতে দুজন লোক নিহত আৰু ৩ গৰাকী গুৰুতৰভাৱে আহত হয়। চূৰ্ণ-বিচূৰ্ণ হোৱা আইটেন বাহনখনৰ পৰা নিহত দুইগৰাকীক স্থানীয় ৰাইজৰ লগতে ওৰাং আৰক্ষীয়ে টানি উদ্ধাৰ কৰে। আনহাতে গুৰুতৰভাৱে আহতসকলক প্ৰথমে ওৰাং আৰক্ষীয়ে ওৰাং সামূহিক চিকিৎসালয়ত ভৰ্তি কৰে। নিশাই উন্নত চিকিৎসাৰ বাবে ৩ গৰাকীক উন্নত চিকিৎসাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে যদিও তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত নিশা অন্যানিয়া ওৰাং নামৰ ২ বছৰীয়া শিশুটিৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত গাড়ী চালক গৰুবন্ধাৰ দিপাংকৰ দাসক নিশাই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। আহত হোৱা ১০ বছৰীয়া খুছি ওৰাং বৰ্তমান সুস্থ বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত নিহত সুভাষ ওৰাং নামৰ লোক জনৰ ঘৰ মিছামাৰী গৰুবান্ধাত। তেখেত আসাম ৰাইফল ৰেজিমেণ্টৰ জোৱান আছিল বুলি জানিব পৰা গৈছে৷ আন গৰাকী নিহত অৰ্চনা প্ৰজা ওৰাং নিহত জোৱান গৰাকীৰ পত্নী বুলি জানিব পৰা গৈছে। নিহত শিশু গৰাকী সুভাষ ওৰাঙৰ কন্যা আছিল। অৰ্থাৎ দুৰ্ঘটনাটোৰ ফলত একেটা পৰিয়ালৰ তিনিগৰাকী সদস্য মৃত্যুমুখত পৰে। উল্লেখযোগ্য যে ওৰাং আৰক্ষী থানাৰ সন্মুখৰ এই পথছোৱাত পুৰ্বে একাধিক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। তাৰ পিছতো নিশা এখন কন্টেনাৰ গাড়ী কি কাৰণত এনেদৰে ৰৈ থাকিবলৈ দিয়া হ'ল তাক লৈয়ো এতিয়া সমগ্ৰ ওৰাং অঞ্চলটোত ৰাইজৰ মাজত চৰ্চা চলা দেখা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কা' আন্দোলন ফাঁকি আছিল

লোকেহে বৰাক উপত্যকাত আৱেদন কৰিছে। এই গুৰুত্বপূৰ্ণ মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। চৰাইদেউ জিলাৰ সাপেখাতিত আজি আয়োজিত বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত এনেদৰে মন্তব্য আগবঢ়ায়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহা মুখ্যমন্ত্ৰীয়ে কয়, "ৰাইজৰ ইমান উচ্ছাহ, বিজেপিৰ প্ৰতি মৰম তথা বিশ্বাস আছে। যাৰ বাবে কেন্দ্ৰত পুনৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰ গঠন হ'ব। বিজেপি দলে বিগত নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিসমূহৰ প্ৰায়বোৰেই বাস্তৱত প্ৰতিফলিত হৈছে। যাৰ ফলত ৰাইজে বিজেপিক আকোঁৱালি লৈছে। অসমৰ চৈধ্যটা লোকসভা সমষ্টিৰ তেৰটাই বিজেপি মিত্ৰজোঁটৰ পক্ষত থকাটো এতিয়ালৈকে নিশ্চিত হৈছে। সেই অনুসৰি যোৰহাটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈ তিনি লাখ ভোটৰ ব্যৱধানত জয়ী হোৱাটো নিশ্চিত"। সাপেখাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত লোকসভাৰ সাংসদ পল্লৱ লোচন দাস, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, প্ৰাক্তন বিধায়িকা নৱনীতা সন্দিকৈ, চৰাইদেউ জিলা বিজেপিৰ সভাপতি লক্ষ্মীনাথ তাছা, এপিজিচিএলৰ সঞ্চালক অনুপ সিং ৰাজপুৰোহিতৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ বিজেপি নেতা অতিথি হিচাপে উপস্থিত থকা বিজয় সংকল্প সমাৰেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয়, বিজেপিয়ে যি কথা কয় সেয়া সময়ত কৰি দেখুৱাই। বিগত সময়ত অৰুণোদয় আঁচনিখনক মিথ্যাচাৰ বুলি কৈছিল কংগ্ৰেছে। কিন্তু এতিয়া ৰাইজে সেই আঁচনিৰ সুবিধা লাভ কৰিয়েই আছে। অনাগত দিনতো অব্যাহত থাকিব অৰুণোদয় আঁচনি। ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালে লাভ কৰিব এই আচনিৰ সুবিধা। ইয়াৰ অংশ হিচাপে ৰাজ্যৰ ভিতৰত প্ৰথমবাৰৰ বাবে অহা ছেপ্টেম্বৰ মাহত চৰাইদেউ জিলাৰ ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালৰ মহিলা সকলে লাভ কৰিব অৰুণোদয়ৰ ধন। ইয়াৰ লগতে নতুন প্ৰজন্মক শিক্ষা তথা সংস্থাপনৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। নতুনকৈ আৰু পঞ্চাছ হাজাৰ পদত নিযুক্তি দিয়া হ'ব। বিৰোধীয়ে যিবোৰ কাম কৰিব পাৰিম বুলি সপোনতো ভবা নাই সেইবোৰ বিজেপি চৰকাৰে কৰি দেখুৱাব। ৰাইজক এতিয়া উন্নয়ন লাগে। মিছা প্ৰতিশ্ৰুতি নালাগে। কাৰণ এতিয়া ডিজিটেল যুগ। মিছা কথা কৈ আৱেগৰ ৰাজনীতি কৰাৰ দিন উকলিল"। আনহাতে তেখেতে কয়, অসমৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সদিচ্ছা থকাৰ বাবেই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে ছশ বছৰীয়া আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদাম ক্ষেত্ৰৰ মনোনয়ন ইউনেস্কোলৈ প্ৰেৰণ কৰিছিল। অসমবাসীৰ প্ৰতি মোদীৰ আন্তৰিকতা থকা বাবেই অসমীয়াৰ স্বাভিমান গামোচা খন অনবৰতে লৈ থাকে। সদিচ্ছা থকা বাবেই কাজিৰঙাত নিশা কটাই সকলোকে কাজিৰঙা দৰ্শনৰ বাবে আহ্বান জনোৱাৰ উপৰিও অসমৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। মন কৰিবলগীয়া যে, আজি দুপৰীয়া হেলিকপ্টাৰযোগে সাপেখাতিলৈ অহা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সাপেখাতিত উপস্থিত হোৱাত ঢোলে-ডগৰে আদৰি অনাৰ লগে লগেই হৰ্ষোল্লাস ধ্বনিত হয় সভাস্থলী। ইপিনে একে সময়তে বিজেপিৰ বিজয় সংকল্প সমাৰেশৰ পৰা চাৰি কিলোমিটাৰ আঁতৰত সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়েও নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। এনেদৰে এতিয়া অধিক আকৰ্ষণীয় হৈ পৰিছে শিক্ষিত ভোটাৰেৰে পৰিবেষ্টিত হৈ থকা একপ্ৰকাৰ ৰাজ্যৰ হটছীটত পৰিণত হোৱা যোৰহাট সমষ্টিৰ নিৰ্বাচনী যুঁজখন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কম দামত ভাল মদ

হ'বলগীয়া বিধানসভা নিৰ্বাচনত জয়লাভ কৰি চৰকাৰ গঠন কৰিলে সাধাৰণ জনতাক কম মূল্যত উন্নত মানৰ সুৰা প্ৰদানৰ প্ৰলোভন দিলে এন ডি এ মিত্ৰজোঁটৰ অংশ তেলেগু দেশম পাৰ্টিৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে। সোমবাৰে চন্দ্ৰবাবু নাইডুৱে কুপ্পমত অনুষ্ঠিত দলীয় বৈঠকত কয়, 'আৰু ৪০ দিনৰ পাছত আমি অন্ধ্ৰত চৰকাৰ গঠন কৰিম। আমি কেৱল উন্নত মানদণ্ডৰ বাবেই নহয়, সুৰাৰ দাম হ্ৰাস কৰাৰ দায়িত্বও ল'ম।'উল্লেখ্যে যে, অহা ১৩ মে'ত অন্ধ্ৰপ্ৰদেশৰ ২৫খন লোকসভা আসনৰ লগতে ১৭৫ খন বিধানসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। এইবাৰ বিজেপি আৰু পৱন কল্যাণৰ দল জনসেনা পাৰ্টিৰ সৈতে মিত্ৰতাৰে দুয়োটা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে তেলেগু দেশম পাৰ্টিয়ে। বিধানসভাত টিডিপিয়ে ১৪৪খন, জনসেনাই ২১খন আৰু বিজেপিৰ ১০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে। একেদৰে লোকসভাত টিডিপিয়ে ১৭খন, জনসেনাই দুখন আৰু বিজেপিয়ে ৭খন আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। নিৰ্বাচনী প্ৰচাৰত সুৰাৰ দামক লৈ চন্দ্ৰবাবু নাইডুৱে ভোটাৰক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰা কাৰ্যক লৈ এতিয়া অন্ধ্ৰৰ ৰাজনীতিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অন্ধ্ৰ বিজেপিৰ সভাপতি ছ'মু বীৰাজুৰেও পূৰ্বে সুৰাৰ মূল্য হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাহে লাহে সুস্থ হৈ আহিছে

**ই-সংবাদ, ৮ এপ্ৰিলঃ** বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী ৰং বং তেৰাঙক গুৱাহাটীৰ দিছপুৰ হাস্পতালত চিকিৎসা কৰি থকা হৈছে৷ সাহিত্যিকগৰাকীক বিশেষজ্ঞ চিকিৎসকৰ দলে চিকিৎসা প্ৰদান কৰি আছে বুলি জানিব পৰা গৈছে৷ কিছু আৰোগ্য লাভ কৰা বুলিও জানিব পৰা গৈছে৷ ৭ এপ্ৰিলত কাৰ্বি আংলঙৰ বকলীয়াঘাট লাংবুদিংপিৰ ঘৰত অসুস্থ হৈ পৰাত ডিফুত চিকিৎসা কৰি থকা হৈছিল৷ কিন্তু উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ অনা হয়৷ দেওবাৰে দুপৰীয়া প্ৰায় ১ মান বজাত গুৰুতৰভাৱে অসুস্থ হৈ পৰাত প্ৰথমে ডিফু চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাৰ অন্তত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ অনা হয়৷ জানিব পৰা মতে, সাহিত্যিকগৰাকীয়ে দুপৰীয়া নিজা কোঠাত বিশ্ৰাম লৈ থকাৰ সময়তে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰিছিল৷ পৰিয়ালে ততাতৈয়াকৈ ডিফু চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰিছিল৷ বিশিষ্ট সাহিত্যিক, দুবৰাকৈ সাহিত্য সভাৰ সভাপতিৰ অসন অলংকৃত কৰা 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা ৰংবং তেৰাং অসুস্থ হৈ পৰাৰ খবৰে ৰাজ্যখনৰ সাহিত্যপ্ৰেমী লোকসকলক চিন্তিত কৰি তুলিছে৷ বিভিন্ন দল-সংগঠনে তেখেতৰ আশু-আৰোগ্য কামনা কৰে৷ আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সঁজাতি দলে দিছপুৰ হাস্পতালত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগৰবেৰাত ঘপিয়াই হত্যা

**ই-সংবাদ, নগৰবেৰা, ৮ এপ্ৰিলঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে নৃশংস হত্যাকাণ্ড৷ মাছ কটা দাৰে নিজ কন্যা আৰু পত্নীক ঘপিয়াই হত্যা কৰাৰ দৰে কৰুণ ঘটনা সংঘটিত হৈছে৷ দক্ষিণ কামৰূপৰ নগৰবেৰাৰ ভজন মালো নামৰ নৰখাদকে ৩৫ বছৰীয়া পত্নী মমতা মালো আৰু ছবছৰীয়া কন্যা পিংকি মালোক মাছ কটা দাৰে ঘপিয়াই হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে৷ জানিব পৰা মতে, নগৰবেৰাৰ ভজন মালো পেচাত মাছ ব্যৱসায়ী৷ কিছুদিনৰ পৰা ভজন মালো আৰু পত্নী মমতা মালোৰ মাজত কোনো কথাক লৈ সংঘাত লাগি আহিছিল৷ আজি আবেলি ভজন মালো খঙত অগ্নিশৰ্মা হৈ পৰে আৰু ঘৰত থকা মাছ কটা দাৰে প্ৰথমে পত্নীক ঘপিয়াই উঠিয়েই ৬ বছৰীয়া কন্যাক ঘপিয়াই৷ মাতৃ আৰু কন্যাই চিঞৰ-বাখৰ কৰিবলৈ আৰম্ভ কৰে৷ ওচৰ-চুবৰীয়া আহি দুয়ো মাতৃ-কন্যাৰ ৰক্তাক্ষৰণ হৈ থকা অৱস্থাত উদ্ধাৰ কৰাৰ কিছু সময় পাছতে দুয়োৰে মৃত্যু হয়৷ ইপিনে গণ প্ৰহাৰৰ বলি হোৱাৰ ভয়ত পথাৰৰ মাজেৰে গৈ ভজন মালোৱা নগৰবেৰা আৰক্ষী থানাত আত্মসমৰ্পণ কৰে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এন্দুৰে খালে আৰক্ষীয়ে

খোদ আৰক্ষীয়ে। শেহতীয়াকৈ গাঞ্জা জব্দ সম্পৰ্কীয় এক গোচৰৰ শুনানিৰ সময়ত আদালতত জব্দকৃত গাঞ্জা এন্দুৰে খাই তহিলং কৰা বুলি প্ৰতিবেদন দাখিল কৰে আৰক্ষীয়ে। এই ঘটনা ঝাৰখণ্ডৰ ধনবাদৰ। উল্লেখ্যে যে, ২০১৮ চনৰ ১৪ ডিচেম্বৰত আৰক্ষীয়ে অভিযান চলাই গাঞ্জা ৰখাৰ অপৰাধত ধনবাদৰ ব্যৱসায়ী শম্ভু আগৰৱাল আৰু তেওঁৰ পুত্ৰক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে তেওঁলোকৰ পৰা মুঠ ১৯ কেজি গাঞ্জা জব্দ কৰি প্ৰমাণ হিচাপে সেয়া আৰক্ষীৰ গুদামত মজুত কৰি ৰাখিছিল। সেই গোচৰৰ তদন্তৰ সময়ত শেহতীয়াকৈ ঝাৰখণ্ডৰ নিম্ন আদালতে জব্দকৃত গাঞ্জাখিনি আদালতলৈ আনিবলৈ তদন্তকাৰী বিষয়া জয়প্ৰকাশ প্ৰসাদক নিৰ্দেশ দিয়ে। আৰক্ষীয়ে আৰক্ষীয়ে আদালতৰ নিৰ্দেশ পালন কৰি গাঞ্জাখিনি আদালতলৈ অনাত ব্যৰ্থ হয়। ইয়াৰ কাৰণ হিচাপে শনিবাৰে আদালতত প্ৰতিবেদন দাখিল কৰি আৰক্ষীয়ে দাবী কৰে যে গুদামত জমা কৰি ৰখা গাঞ্জাখিনি এন্দুৰে খাই শেষ কৰি পেলাইছে। অৱশ্যে অভিযুক্ত শম্ভুলাল আৰু তেওঁৰ পুত্ৰই আৰক্ষীৰ এই দাবী হাস্যকৰ বুলি মন্তব্য কৰি কয় যে আৰক্ষীয়ে তেওঁলোকৰ পৰা কোনো ধৰণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হোৱা নাছিল, সেয়েহে আদালতত প্ৰমাণ দাখিল কৰিব নোৱাৰিলে। পিতা-পুত্ৰ দুয়কো মিছা অভিযোগত গ্ৰেপ্তাৰ কৰা বুলিও দাবী কৰে শম্ভুলালে। আনহাতে আৰক্ষীৰ গুদামৰ পৰা নিগনিয়ে কিদৰে ১৯ কেজি গাঞ্জা খাই শেষ কৰিলে সেই সন্দৰ্ভত বিতং তদন্ত কৰিবলৈ নিৰ্দেশ দিছে ধনবাদৰ আৰক্ষী অধীক্ষকে।এই খবৰে এতিয়া চাঞ্চল্যৰ সৃষ্টি কৰিছে ৰাজ্যখনত।

# হৃদয়হীন মাতৃ!

## তিনি সন্তানক হত্যা জন্মদাত্ৰী মাতৃৰ

**ই-সংবাদ, ৮ এপ্ৰিলঃ** বৰাক উপত্যকাত মানৱ সমাজক জোকাৰি যোৱা মৰ্মান্তিক কাণ্ড সংঘটিত হৈছে। যি ঘটনাই মানুহৰ বিবেক দংশন কৰিছে। এগৰাকী জন্মদাত্ৰী মাতৃয়ে তিনি সন্তানক হত্যা কৰি নিজেও প্ৰাণ দিব খোজাৰ ঘটনাই সমগ্ৰ বৰাকক জোকাৰি গৈছে। নিজ গৰ্ভতে থিতাপি লৈ পৃথিৱীৰ পোহৰ দেখা তিনি সন্তানক নিজ হাতেৰে বধ কৰে এগৰাকী হৃদয়হীন মাতৃয়ে। স্বামীৰ সৈতে কাজিয়াত লিপ্ত হৈ ভয়াবহ জিঘাংসাৰ আশ্ৰয় লৈ নাৰকীয় কাণ্ড সংঘটিত কৰে। দেওবাৰে পুৱা সংঘটিত হয় এই ভয়ংকৰ ঘটনা। কৰিমগঞ্জ জিলাৰ ৰামকৃষ্ণ নগৰৰ ডলুগংগা গাঁৱৰ শ্বাহেনা আফৰোজে নিজৰ তিনিটা সন্তানক হত্যা কৰি নিজেও আত্মহত্যা কৰাৰ প্ৰয়াস কৰে। জানিব পৰা মতে, কৰিমগঞ্জ ৰামকৃষ্ণনগৰৰ হৰিনগৰ পঞ্চায়তৰ ডলুগংগা গাঁৱৰ ছফিকুদ্দিন পেচাত এগৰাকী দোকানী। ছফিকুদ্দিন আৰু পত্নী শ্বাহেনা আফৰোজৰ সুখৰ সংসাৰ আছিল। পত্নী শ্বাহেনা আফৰোজৰ ভগ্নী তথা ছফিকুদ্দিনৰ খুলশালী ছফিকুদ্দিনৰ ঘৰতে আছিল। পুৱা চফিকুদ্দিনে অইন দিনাৰ দৰে দোকানলৈ যায়। পত্নী, খুলশালী আৰু তিনিটা সন্তান ঘৰত আছিল। পুৱা প্ৰায় ৯ বজাত ঘৰ লৈ আহি গাঁৱৰ কণ কণ শিশুৰ সৈতে সন্তানকেইটাক নেদেখি পত্নীক গালি-গালাজ কৰে। তাৰ কিছু সময় পাছতে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি শ্বাহেনা আফৰোজে দীৰ্ঘ সময় ওলাই নাহে। স্থানীয় লোকে বিকট শব্দ শুনি কোঠাৰ ওচৰলৈ আহি দেখে যায় তিনি সন্তানৰ নিঠৰ দেহ বিছনাত পৰি আছে। লগে লগে হুৱা-দুৱা লাগে। সেই সময়তে আন কোঠাত দুৱাৰ বন্ধ কৰি শ্বাহেনা আফৰোজে আত্মহত্যা কৰাৰ প্ৰয়াস কৰে যদিও একাংশ লোকে দুৱাৰ ভাঙি শ্বাহেনা আফৰোজক উদ্ধাৰ কৰে। স্বামীয়ে গালি-গালাজ কৰাৰ পাছতে শ্বেহেনা আফৰোজ তিনি সন্তানক হত্যা কৰি আন এটা কোঠাত আত্মহত্যা কৰাৰ প্ৰয়াস কৰে। শ্বাহেনা আফৰোজে ভগ্নী শৰ্মিন বেগমকো হত্যাৰ প্ৰয়াস কৰিছিল। কিন্তু কথমপি প্ৰাণ ৰক্ষা পৰে। স্থানীয় লোকে ভগ্নী শৰ্মিন বেগম আৰু শ্বাহেনা আফৰোজক উদ্ধাৰ কৰি আৰক্ষীৰ সহায়ত হাস্পতালত ভৰ্তি কৰে।

# কেৰেপ নকৰে কাকো! অসম নাগালেণ্ড সীমান্তত অব্যাহত নগাৰ সন্ত্ৰাস

## গুলী ফুটাই গৰু নিধন কৰি লৈ গ'ল নগা দুৰ্বৃত্তই

**ই-সংবাদ, ৮ এপ্ৰিলঃ** আজিও সুৰক্ষিত নহয় অসম-নালাগেণ্ড সীমান্তৰ অসমীয়া। আজিও ইচ্ছা কৰিলেই যিকোনো কাণ্ড সংঘটিত কৰিব পাৰে নগা দুৰ্বৃত্তই। ৰাজ্য চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সীমান্তত স্থায়ী শান্তি বাহল কৰিবলৈ প্ৰয়াস কৰিছে যদিও সেয়া কেৱল চৰকাৰৰ পৰ্যায়তে সীমাবদ্ধ হৈ ৰৈছে। সীমান্তৱৰ্তী নগাসকলৰ ওচৰলৈ এই বাৰ্তা নিবলৈ সক্ষম হোৱা নাই দুয়োখন ৰাজ্য চৰকাৰে। যাৰ ফলতে আজিও নগা দুৰ্বৃত্তই অসমীয়া মানুহক শত্ৰুজ্ঞান কৰি অনাকাংক্ষিত ঘটনা সংঘটিত কৰি আহিছে। এইবাৰ নিৰ্বাচনী প্ৰচাৰৰ ব্যস্ততাৰ মাজতে নগা দুৰ্বৃত্তই অসমৰ গাঁৱক লক্ষ্য কৰি গুলীচালনা কৰাত সন্ত্ৰাসৰ সৃষ্টি হৈছে। নিবাৰ্চনৰ প্ৰাকমুহূৰ্তত অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত নগা দুৰ্বৃত্তই সন্ত্ৰাসৰ সৃষ্টি কৰা বুলি জানিব পৰা গৈছে। ঘটনাৰ পাছতে উত্তেজনাই বিৰাজ কৰিছে অসম-নালাগেণ্ড সীমান্তত। নিশা মেৰাপানীৰ নাগালেণ্ড সীমান্তত লাগি থকা অসমীয়া গাঁৱত হাতত অস্ত্ৰ লৈ প্ৰৱেশ কৰে নগা দুৰ্বৃত্তই। তাৰ পাছতে ৰমেন ৰাভা নামৰ লোকজনৰ চৌহদত প্ৰৱেশ কৰি গোহালিৰ গোধনক গুলীয়াই আৰু মৃত গোধন লৈ যায় নগাই। তাৰ পাছতে নমল মুছাহাৰী নামৰ লোকজনক লক্ষ্য কৰি গুলীচালনা কৰে যদিও কথমপি ৰক্ষা পৰে লোকজন। নগা দুৰ্বৃত্তই অসমীয়া গাঁৱৰ লোকক ভাবুকি দি কেইবা জাঁই গুলি ফুটাই পুনৰ নাগালেণ্ডত প্ৰৱেশ কৰে। কিন্তু পৰিতাপৰ বিষয় এয়াই যে নগা দুৰ্বৃত্তই দীৰ্ঘ সময় ধৰি তাণ্ডৱ চলোৱাৰ পাছতো দুই ৰাজ্যৰ আৰক্ষী উপস্থিত নহ'ল। ঘটনা সংঘটিত কৰি যোৱাৰ বহু সময়লৈ উপস্থিত হোৱা নাছিল অসম আৰক্ষীৰ দল। সীমান্তত নিয়োজিত চিআৰপিএফ বাহিনী সময়তে মতে, উপস্থিত হোৱা নাছিল। দশকৰ পাছত দশক ধৰি নিৰাপত্তাহীনতাত দিন পাৰ কৰা নাগালেণ্ড সীমান্তৰ অসমীয়া গাঁৱৰ লোকসকল পুনৰ আতংকিত হৈ পৰিছে।



**ৰাইজৰ মাজত লুৰীণঃ সোমবাৰে মাৰ্ঘেৰিটাত এনেদৰেই প্ৰচাৰ লুৰীণজ্যোতি গগৈৰ**

# চাহ বাগিচাত যুৱক যুৱতীৰ মৃতদেহ

**ই-সংবাদ, ৮ এপ্ৰিলঃ** তিনিচুকীয়া জিলাৰ ডুমডুমাত আজি পুৱাই এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। এখন চাহ বাগিচাত এহাল যুৱক-যুৱতীৰ মৃতদেহ গছত ওলমি থকা অৱস্থাত উদ্ধাৰ হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পুৱাই ডুমডুমাৰ চামডাং চাহ বাগিচাত একেলগে এজোপা গছতে এহাল যুৱক-যুৱতীৰ মৃতদেহ উদ্ধাৰ হৈছে। যুৱক-যুৱতীহালক ১৯ বছৰীয়া শ্যাম প্ৰজা আৰু ২১ বছৰীয়া সংগীতা ভূমিজ বুলি চিনাক্ত কৰা হৈছে। পুৱাই একাংশ লোকে শ্যাম প্ৰজা আৰু সংগীতা ভূমিজৰ মৃতদেহ চামডাং চাহ বাগিচাৰ গছত ৰছীত ওলমি থকা প্ৰত্যক্ষ কৰে।পাছত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰে।

# গোৰেশ্বৰত অচিনাক্ত বাইকৰ খুন্দাত নিহত ১, আহত ৪

**ই-সংবাদ, গোৰেশ্বৰ, ৮ এপ্ৰিলঃ** উদণ্ড বাইক আৰোহীৰ খুন্দাত এগৰাকী যুৱতী নিহত হোৱাৰ লগতে ৪গৰাকী যুৱতী আহত হোৱাৰ ঘটনাক লৈ উত্তেজনাই বিৰাজ কৰিছে বিটিআৰৰ গোৰেশ্বৰত। দুৰ্ঘটনাত পতিত ডিম্পী কৈৱৰ্ত নামৰ যুৱতীক হাস্পতাললৈ নি থকাৰ সময়তে আদবাটত মৃত্যু হয়। ৰাজপথত বাইকৰ খুন্দাত আঘাতপ্ৰাপ্ত ২০ বছৰীয়া ডিম্পী কৈৱৰ্তই অকালতে মৃত্যুক আকোৱালি লোৱাত শোকাৰ ছাঁ পৰিছে। জানিব পৰা মতে, উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নি থকা অৱস্থাত ডিম্পী কৈৱৰ্তৰ মৃত্যু হয়। গোৰেশ্বৰৰ জালুকবাৰীত বেলি ডুবাৰ পাছতে তীব্ৰবেগী দুচকীয়া বাহনে মহতিয়াই নিছিল ৫গৰাকীকৈ যুৱতীক। আৰক্ষীৰ চাকৰিৰ বাবে অনুশীলনৰ অন্তত খোজকাঢ়ি ঘৰলৈ গৈ থকা অৱস্থাত তীব্ৰবেগী বাইকে মহতিয়াই নিয়াত ৫গৰাকী যুৱতী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ৫ যুৱতীক ততাতৈয়াকৈ গোৰেশ্বৰ পুষ্পাঞ্জলী পলিক্লিনিক মেডিকেলত ভৰ্তি কৰা হয় যদিও দুগৰাকী যুৱতীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। ইয়াৰে ডিম্পী কৈৱৰ্তৰ মৃত্যু হৈছে। আঘাতপ্ৰাপ্ত যুৱতীৰ কঁকাল আৰু হাত ভঙাৰ সন্দেহ কৰা হৈছে। আঘাতপ্ৰাপ্ত আন যুৱতী কেইগৰাকী হৈছে ১৯ বছৰীয়া নিকুমনি ৰাজবংশী, লিপিকা দেৱনাথ, নিতুমণি দেৱনাথ, ২০ বছৰীয়া জুনু ৰাজবংশী বুলি জানিব পৰা গৈছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে বাইক আৰোহিক গ্ৰেপ্তাৰ কৰিবলৈ গোৰেশ্বৰ আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। দুৰ্ঘটনা সংঘটিত কৰা পালছাৰ বাইকখন উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে যদিও আৰোহিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী।

## ৪০ খন গ্ৰন্থলিখি অসমীয়া সাহিত্য জগতক সমৃদ্ধ

# বৈষ্ণৱ পণ্ডিত তথা বিশিষ্ট সাহিত্যিক ভৱপ্ৰসাদ চলিহাৰ বৈকুণ্ঠগমন

**ই-সংবাদ, ৮ এপ্ৰিলঃ** শ্ৰীমন্ত শংকৰদেৱ বঁটা বিজয়ী, বৈষ্ণৱ পণ্ডিত তথা বিশিষ্ট সাহিত্যিক ভৱপ্ৰসাদ চলিহাই জীৱন নাট সামৰিলে৷ শংকৰী কলা-কৃষ্টিৰ সাধনা কৰি জাতিটোক সমৃদ্ধ কৰা ভৱপ্ৰসাদ চলিহাই ৮৯ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে৷ শংকৰী সংস্কৃতিৰ সাধক, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক তথা অধ্যাপক ভৱপ্ৰসাদ চলিহাই গুৱাহাটী মহানগৰীত শেষ নিশ্বাস ত্যাগ কৰে৷ গুৱাহাটীতে তেখেতৰ শেষকৃত্য সম্পন্ন কৰা হয়৷ প্ৰায় ৪০ খন গ্ৰন্থলিখি অসমীয়া সাহিত্য জগত তথা শংকৰী কলা-কৃষ্টি, সাহিত্যৰ ভঁড়াল চহকী কৰিছিল চলিহাই৷ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ গুৰুজনাৰ জীৱন দৰ্শন, কৰ্মৰাজি তথা ব্যাপক সামাজিক অৱদানক ৰাষ্ট্ৰীয় পৰ্যায়ত উপস্থাপন কৰিবলৈ আহোপুৰুষাৰ্থ কৰিছিল চলিহাই৷ ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত ১৯৩৪ চনৰ ২০ আগষ্টত ভৱপ্ৰসাদ চলিহাৰ জন্ম হৈছিল। শিক্ষাগ্ৰহণৰ বাবে গুৱাহাটীলৈ আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে কাম কৰিছিল৷ অধ্যাপনা কৰাৰ লগতে শংকৰী কলা-কৃষ্টিৰ সাধনা কৰা জাতিটোক মহীয়ান কৰিছিল৷ অসমীয়া, ইংৰাজী আৰু সংস্কৃত ভাষাত ৪০ খনৰো অধিক গ্ৰন্থ ৰচনা কৰিছে৷ গ্ৰন্থ ৰচনা কৰাৰ লগতে গ্ৰন্থ সম্পাদনা আৰু অনুবাদো কৰিছে। শংকৰী সংস্কৃতিৰ অধ্যয়ন, শংকৰী সাহিত্যৰ সমীক্ষা, মাধৱদেৱৰ সাহিত্য, মাধৱদেৱ অধ্যয়নৰ ভূমিকা, মহাপুৰুষীয়া ধৰ্ম, ৰুক্মিণী হৰণ নাটক ৰচনা কৰিছে৷ অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ লগতে জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক বিশ্বত বিলাই দিছিল। শ্ৰীমন্ত শংকৰদেৱ গুৰুজনা আৰু মাধৱদেৱ গুৰুজনাৰ অৱদানক বৈজ্ঞানীক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি বিশ্বত এই দৃষ্টিভংগীক প্ৰচাৰ-প্ৰসাৰৰ বাবে কাম কৰিছিল৷ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ-কৰ্মৰাজীৰ নিৰ্মোহ বিশ্লেষণ কৰাৰ লগতে অসমীয়া সাহিত্যৰ প্ৰতি ব্যাপক অৱদান আগবঢ়াই জাতিটোক চহকী কৰি থৈ গ'ল বিশিষ্ট শিক্ষাবিদ ভৱপ্ৰসাদ চলিহাই৷ এনে এজন অসম সন্তানৰ মৃত্যু জাতিটোৰ বাবে অপূৰণীয় ক্ষতি৷ ৰাজ্য চৰকাৰে ২০২০ চনৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা তেখেতক প্ৰদান কৰা হৈছিল৷ ইলোৰা বিজ্ঞান মঞ্চই অধ্যাপক ভৱপ্ৰসাদ চলিহাৰ নামত মানৱতা বঁটা প্ৰদান কৰি আহিছে৷ তেখেতৰ মৃত্যুত বিভিন্ন জাতি-জনগোষ্ঠীৰ দল-সংগঠনে শোক প্ৰকাশ কৰিছে৷

# নলবাৰীৰ বকুৱাজাৰীত বিহু নাচ-বিহু বাদ্যৰ কৰ্মশালা

**ই-সংবাদ, বৰমা, ৮ এপ্ৰিলঃ** হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন৷ ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিহু কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাসমূহৰ লক্ষ্য হৈছে উঠি অহা প্ৰজন্মক বিহু নাচ আৰু বিহু বাদ্যৰ জ্ঞান প্ৰদান কৰা। নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে বকুৱাজাৰী গাঁৱৰ বিজুলী সংঘ প্ৰাংগনত আজিৰে পৰা ৭ দিনীয়াকৈ বিহুনাচ আৰু বিহু বাদ্যৰ কৰ্মশালা অনুষ্ঠিত হৈছে৷ বকুৱাজাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত আৰু বিজুলী সংঘৰ সহযোগত অনুষ্ঠিত কৰ্মশালা আজি বিয়লি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে যুৱ সাংবাদিক শৈলেন বৰ্মনে৷ কৰ্মশালা উদ্বোধন কৰি সাংবাদিক বৰ্মনে আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে৷ বকুৱাজাৰী



আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ সভাপতি ব্ৰজেন বৰ্মনে আঁতধৰা উদ্বোধনী অনুষ্ঠানত প্ৰশিক্ষক ধনজিৎ দত্ত, পাৰ্থ প্ৰতীম দাস, দিয়া অলে'ম্যান, আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ মুখ্য সম্পাদক নৱজিৎ বৰ্মন, সম্পাদক ধ্ৰুৱজ্যোতি কলিতা, পুলক বৰ্মন, সাংস্কৃতিক সম্পাদক পিংকু বৈশ্য, মৃগেন বৰ্মন, অমৰদ্বিপ বৰ্মন, শিক্ষক কাৰ্তিক বৰ্মন, বিশিষ্ট সমাজসেৱিকা নিভা দাস উপস্থিত থাকে৷

## কেন্দ্ৰত চৰকাৰ আহিলেই 'কা' প্ৰত্যাহাৰ হ'বঃ জিতেন্দ্ৰ সিং

# গুৱাহাটীত কংগ্ৰেছৰ নিৰ্বাচনী ন্যায়পত্ৰ মুকলি




**গুৱাহাটী, ৮ এপ্ৰিলঃ** কংগ্ৰেছ দলে অসমৰ পৰা 'কা' প্ৰত্যাহাৰ কৰাৰ বাবে সৰ্বতো প্ৰকাৰে চেষ্টা অব্যাহত ৰাখিব আৰু কংগ্ৰেছৰ 'কা' বিৰোধী স্থিতি সদায় অটুত থাকিব। কংগ্ৰেছৰ নেতৃত্বত ইণ্ডিয়াৰ চৰকাৰ হ'লে প্ৰথম কৰ্মসূচীতে 'কা' বাতিল কৰা হ'ব। নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙে গুৱাহাটীত আজি এক সংবাদমেলত কংগ্ৰেছৰ নিৰ্বাচনী ন্যায় পত্ৰ অৰ্থাৎ ইস্তাহাৰ মুকলি কৰি এইদৰে কয়। ইংৰাজী, হিন্দী আৰু অসমীয়া ভাষাত মুকলি কৰা এই ন্যায় পত্ৰ দেশৰ শিক্ষিত নিবনুৱা যুৱকক সকাহ দিবৰ বাবে বছৰি ১ লাখকৈ টকা দিয়াৰ এক ঐতিহাসিক ঘোষণা কৰে। সমগ্ৰ দেশত নাৰী সবলীকৰণৰ বাবে উপাৰ্জনহীন মহিলাক ১ লাখকৈ টকা দি কৰ্মসংস্থাপন লাভৰ সুবিধা কৰি দিয়াৰ কথাও জানিবলৈ দিয়ে। একেদৰে ২০ লাখ টকা পৰ্যন্ত চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয়ত বিনামূলীয়া চিকিৎসাসেৱা প্ৰদানৰ এক যুগান্তকাৰী সিদ্ধান্তৰ কথাও ন্যায় পত্ৰত উল্লেখ থকাৰ কথা কংগ্ৰেছ নেতাজনে প্ৰকাশ কৰে। এই আঁচনি ইতিমধ্যে ৰাজস্থান চৰকাৰে আৰম্ভ কৰিছিল বুলিও তেওঁ জানিবলৈ দিয়ে। ৪৫ পৃষ্ঠাযোৰা এই ন্যায় পত্ৰত অংশীদাৰী ন্যায়, যুৱ ন্যায়, কৃষক ন্যায়, নাৰী ন্যায় আৰু শ্ৰমিক ন্যায় এই পঞ্চ ন্যায়ৰ লগতে ২৫টাকৈ গেৰাণ্টি সন্নিবিষ্ট কৰা হৈছে। এই ২৫ টা গেৰাণ্টিৰ জৰিয়তে দেশৰ নাগৰিকক মোদী চৰকাৰৰ ভুৱা প্ৰতিশ্ৰুতি তথা অঘোষিত জৰুৰীকালীন অৱস্থাৰ পৰা মুক্তি প্ৰদান কৰিব বুলিও সদৰী কৰে। ইস্তাহাৰ মুকলি কৰি জিতেন্দ্ৰ সিঙে যোৱা ১০ বছৰক অন্যায় কাল আখ্যা দি ২০১৪ চনৰ পিছত দেশবাসী তথা অসমবাসীৰ জীৱনধাৰণৰ মানদণ্ড কিমান উন্নত হৈছে বুলিও প্ৰশ্ন কৰে। উল্লেখ্য যে কংগ্ৰেছৰ এই ন্যায় পত্ৰ অৰ্থাৎ নিৰ্বাচনী ইস্তাহাৰত যুৱ খেলুৱৈসকলক ১০ হাজাৰ টকাকৈ ভাট্টা প্ৰদান, শিক্ষাৰ ক্ষেত্ৰখনত সংস্কাৰ সাধন, অৰ্থনৈতিক সংস্কাৰ সাধন, প্ৰতিৰক্ষা, বৈদেশিক নীতি আদিত সুস্থিৰ আৰু শক্তিশালী নীতি প্ৰৱৰ্তন, বহনক্ষম উন্নয়ন, কৃষক আৰু শ্ৰমিকসকলৰ কল্যাণৰ বাবে একাধিক বিশেষ পদক্ষেপৰ লগতে সামাজিক সমতা স্থাপনত গুৰুত্ব প্ৰদান কৰা হৈছে। আনহাতে অসম তথা উত্তৰ-পূবৰ চাহ শ্ৰমিক আৰু জনজাতীয় লোকসকলৰ জীৱনধাৰণৰ মানদণ্ড অধিক উন্নত কৰাৰ বাবে সুকীয়া নীতি গ্ৰহণৰ কথাও ন্যায় পত্ৰত উল্লেখ আছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক পৃথ্বিৰাজ সাথেও সংবাদমেলত অংশগ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই ভাৰতবৰ্ষৰ লগতে অসমৰ সামগ্ৰিক বিকাশৰ বাবে কংগ্ৰেছ দলে সৰ্বভাৰতীয় পৰ্যায়ত মুকলি কৰা ইস্তাহাৰৰ উপৰিও অসমৰ বাবে এখন সুকীয়া ঘোষণা পত্ৰ প্ৰকাশ হ'ব বুলিও জানিবলৈ দিয়ে। সংবাদমেলখনৰ আঁত ধৰে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ সম অধ্যক্ষ বেদব্ৰত বৰাই। সংবাদমেলত নিখিল ভাৰত কংগ্ৰেছৰ সংবাদ মাধ্যম আৰু যোগাযোগ বিভাগৰ অসমৰ দায়িত্বত থকা সমন্বয়ক মহিমা সিং, অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, উপসভাপতি নৱ কুমাৰ তালুকদাৰ আৰু সম্পাদক ৰামান্না বৰুৱাও উপস্থিত থাকে।

## লুৰীণজ্যোতি বিপুল ভোটত জয়ী কৰাৰ আহ্বান

# ডিব্ৰুগড়ত পুত্ৰ লুৰীণৰ হৈ প্ৰচাৰ চলাবলৈ আহিল মাজুলীৰ আই



**ই-সংবাদ, ৮ এপ্ৰিলঃ** ডিব্ৰুগড় সমষ্টিলৈ আপোন পুত্ৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলিবলৈ আহিছে মাজুলীৰ এগৰাকী আই৷ তেজৰ সম্পৰ্ক নাথাকিলেও মাতৃগৰাকীয়ে পুত্ৰগৰাকীৰ হৈ প্ৰচাৰ চলাই ভোট দিবলৈ কাতৰ আহ্বান জনাই ৰাইজক৷ মহিলাগৰাকীয়ে পুত্ৰক জয়ী কৰাবলৈ মঞ্চত উঠি ভাষণো প্ৰদান কৰে৷ এইগৰাকী আইৰ নাম হৈছে চুনু দাস৷ চুনু দাসে মাজুলীৰ পৰা ডিব্ৰুগড়ৰ বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈৰ হৈ প্ৰচাৰ চলাবলৈ আহে৷ চুনু দাসৰ ঘৰ হৈছে মাজুলীৰ আলিমূৰ গাঁৱত৷ চুনু দাসে পুত্ৰ কৰি লৈছিল লুৰীণজ্যোতি গগৈক৷ মাতৃহাৰা হোৱাৰ পাছতে মাজুলীৰ এইগৰাকী মহিলাই লুৰীণজ্যোতি গগৈক পুত্ৰ বুলি গ্ৰহণ কৰিছিল৷ বিগত ডেৰটা বছৰ লুৰীণজ্যোতি গগৈ আৰু চুনু দাসৰ মাজত মাতৃ-পুত্ৰৰ সম্পৰ্ক অব্যাহত ৰাখিছে৷ পুত্ৰ লুৰীণে এইবাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে৷ মাতৃয়ে পুত্ৰক সহায় কৰিবলৈ ঢপলিয়াই আহিছে ডিব্ৰুগড়লৈ৷ ডিব্ৰুগড়ত মাজুলীৰ আইগৰাকীয়ে লুৰীণ গগৈৰ হৈ প্ৰচাৰ চলায়৷ লুৰীণজ্যোতি গগৈয়ে মাতৃক মঞ্চত চিনাকী কৰাই দি গামোচা পিন্ধাই আদৰণি জনায়৷ মঞ্চত মাতৃগৰাকীয়ে ভাষণ প্ৰদান কৰি লুৰীণজ্যোতি গগৈক বিপুল ভোটত জয়ী কৰাৰ আহ্বান জনায়৷ লুৰীণজ্যোতি গগৈয়ে এটা ফেচবুক পোষ্টত কয় যে পৃথিৱীৰ আটাইতকৈ নিঃস্বাৰ্থ আৰু পৱিত্ৰ সম্পৰ্কটিয়েই হৈছে মাতৃ-পুত্ৰৰ সম্পৰ্ক। জন্মদাত্ৰী আইৰ বিয়োগৰ পাছত মাতৃৰ মমতা, সাহস আৰু আশ্বাসৰ আশ্ৰয়ৰ পৰা আমি বঞ্চিত হৈছিলো। তেনেসময়তে মাজুলীৰ আউনীআটীৰ আলিমূৰ গাঁৱৰ এইগৰাকী আইমাতৃ চুনু দাস ডাঙৰীয়ানীয়ে পুত্ৰ হিচাপে গ্ৰহণ কৰিছিল আমাক৷ আজি আমাক আশীৰ্বাদ দিবলৈ মাজুলীৰ পৰা ঢপলিয়াই আহিল আই আৰু তেখেতৰ স্বামী বিপুল দাস ডাঙৰীয়া৷ খোৱাঙৰ নিৰ্বাচনী সভাত আমাৰ বাবে শুভেচ্ছামূলক ভাষণো প্ৰদান কৰে আইমাতৃগৰাকীয়ে৷ অসমৰ আইমাতৃসকলে আমাৰ মনটোক কাহানিও এন্ধাৰ হ'বলৈ দিয়া নাই, মনৰ নিজানত নিভাঁজ মৰমৰ আৱেশেৰে প্ৰতিটো পল আমাৰ মনাকাশ উজলাই ৰাখিছে। প্ৰতিগৰাকী আইমাতৃৰ শ্ৰীচৰণত আমাৰ হৃদয়ভৰা প্ৰণিপাত যাচিছো৷

# চামগুৰিত দুৰ্ঘটনাত নিহত ফ্লায়িং স্কোৱাডৰ বিষয়া জয়ন্ত ক্ৰ'

**ই-সংবাদ, ৮এপ্ৰিলঃ** ৰাজ্যৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে৷ তেনে সময়তে নিৰ্বাচনী কামত নিয়োজিত এগৰাকী চৰকাৰী অভিযন্তাৰ পথ দুৰ্ঘটনাত মৃত্যু হোৱাত ৰাজ্যত শোকৰ ছাঁ পৰিছে৷ পথ দুৰ্ঘটনাত ফ্লায়িং স্কোৱাডৰ বিষয়া জয়ন্ত ক্ৰ' নিহত হোৱা বুলি জানিব পৰা গৈছে৷ নগাঁও কঠিয়াতলি উন্নয়ন খণ্ডৰ সহকাৰী অভিযন্তা আছিল জয়ন্ত ক্ৰ'৷ নগাঁও জিলাৰ চামগুৰিৰ হাইঁচৰা বৰালীগাঁৱত আজি পুৱাই সংঘটিত পথ দুৰ্ঘটনাত ফ্লায়িং স্কোৱাডৰ বিষয়া জয়ন্ত ক্ৰ'ই অকালতে মৃত্যুক আকোৱালি লয়৷ ৭নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় ভয়াবহ পথ দুৰ্ঘটনা৷

## ৰাইজৰ হাহাকাৰঃ প্ৰৱঞ্চকক বিচাৰি আৰক্ষীৰ তদন্ত আৰম্ভ

# খাটি খোৱা ৰাইজক প্ৰৱঞ্চনা কৰি ঢকুৱাখনাৰ পৰা উধাও বিত্তীয় প্ৰতিষ্ঠান

**ই-সংবাদ, ঢকুৱাখনা, ৮ এপ্ৰিলঃ** লখিমপুৰ জিলাৰ ঢকুৱাখনাত এটা বিত্তীয় প্ৰতিষ্ঠানে বৃহৎ সংখ্যক গ্ৰাহকক ঠগ-প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন হৈছে৷ ৰাজ্যত বিত্তীয় প্ৰতিষ্ঠানৰ নামত ঠগ-প্ৰৱঞ্চনা কৰাৰ অভিযাগৰ মাজতে ঢকুৱাখনাৰ অসম গাঁৱলীয়া নিধি লিমিটেড তথা ‘আপোনাৰ পাৰিবাৰিক নিধি’ নামৰ বিত্তীয় প্ৰতিষ্ঠানত তলা ওলমিছে৷ ইতিমধ্যে ঢকুৱাখনা সদৰ আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও ‘আপোনাৰ পাৰিবাৰিক নিধি’ৰ সৈতে জড়িত পৰিচালন সঞ্চালকসহ আটাইকেইগৰাকী লোক অন্তৰ্ধান হোৱাত গ্ৰাহকৰ মাজত হাহাকাৰ লাগিছে৷ জানিব পৰা মতে, লখিমপুৰ জিলাৰে বগীনদী আৰক্ষী থানাৰ অন্তৰ্গত বধাকৰা গাঁৱৰ পুলিন শইকীয়া আছিল ‘আপোনাৰ পাৰিবাৰিক নিধি’ৰ পৰিচালন সঞ্চালক। আনহাতে, ঘাহিগাঁৱৰ পিংকি তামুলী আছিল শাখা পৰিচালক৷ পুলিন শইকীয়া আৰু পিংকি তামূলীয়ে ঢকুৱাখনা সদৰ ঘৰ ভাড়া লৈ বিত্তীয় প্ৰতিষ্ঠান চলাই গৈছিল৷ উক্ত কাৰ্যালয়ক মাগুলিক কাৰ্যালয় ৰূপে প্ৰচাৰ কৰা হৈছিল৷ পুলিন শইকীয়া আৰু পিংকি তামূলীয়ে লখিমপুৰ জিলাত বিভিন্ন প্ৰান্তত দৈনিক টকা সংগ্ৰহ কৰিবলৈ এজেণ্ট নিয়োগ কৰে৷ স্থানীয় যুৱক-যুৱতীয়ে ক্ষুদ্ৰ ব্যৱসায়ী, দোকানী, গৃহিনী আদিৰ একাউণ্ট খুলি টকা সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰে৷ বিত্তীয় প্ৰতিষ্ঠানটোৰ অৱস্থা টনকীয়াল হোৱাৰ পৰিৱৰ্তে অৱস্থা বেয়া হ’বলৈ ধৰে৷ লক্ষ লক্ষ টকা সংগ্ৰহ৷ কৰি গ্ৰাহকৰ জমা ধন উভতাই নিব নোৱাৰা হৈ পৰে৷ যাৰ বাবে একাংশ গ্ৰাহকে জমা ধন পাবৰ বাবে তাঁত-বাটি কাঢ়িবলগীয়া হয়৷ গ্ৰাহকৰ জমাকৃত ধন দিয়াৰ সময় উকলি যোৱাৰ পাছতে বিপদত পৰাৰ আগজাননী লাভ কৰি বিত্তীয় প্ৰতিষ্ঠানটোৰ পৰিচালন সঞ্চালক পুলিন শইকীয়া আৰু শাখা পৰিচালক পিংকি তামূলীয়ে পলায়ন কৰে৷ উপায়বিহীন একাংশ গ্ৰাহকে জমা টকা নাপায় ঢকুৱাখনা সদৰ আৰক্ষীৰ কাষ চাপে৷ কেইবাজনো লোকৰ অভিযোগৰ ভিত্তিত ১৯/২০২৪ নম্বৰত আৰু ভাৰতীয় দণ্ড বিধিৰ ৪২০/৪০৬ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে৷ আৰক্ষীয়ে পুলিন শইকীয়া আৰু পিংকি তামূলীক বিচাৰি অভিযান আৰম্ভ কৰিছে যদিও গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ আনহাতে, গোচৰৰ আওতালৈ ধন সংগ্ৰহ কৰা এজেণ্ট সকলোকো আনিব বুলি জানিব পৰা গৈছে

# ৰঙালীৰ প্ৰাকক্ষণত বাহনৰ গৰাকীলৈ পৰিবহণ বিভাগৰ আহ্বান

## ‘আপোনাৰ বাহনখন প্ৰদূষণমুক্ত কৰি লওক’

**গুৱাহাটী, ৮ এপ্ৰিলঃ** সন্মুখত অসমীয়াৰ হেঁপাহৰ বহাগ বিহু। চাৰিওফালে আনন্দ-উলাহৰ উৎসৱমুখৰ পৰিৱেশ। বসন্ত ঋতুৰ আগমনৰ লগেলগে প্ৰকৃতিয়েও সলাইছে বৰণ। ফুলে-ফলে জাতিস্কাৰ হৈছে প্ৰকৃতি। সমগ্ৰ মানৱ জাতিক সুৰক্ষিত কৰি ৰখাৰ বাবেই যেন প্ৰকৃতিৰ সেউজ আৱাহন। সেউজ প্ৰকৃতি প্ৰযুক্তিৰো আধাৰ। চাৰিওপিনে এখন প্ৰদূষণমুক্ত পৃথিৱী সৃষ্টি কৰি মানৱজাতিক নিজকে ৰক্ষা কৰিবলৈ যেন পৰিচ্ছন্ন প্ৰকৃতিয়ে সোঁৱৰাই দিছেহি। সেয়ে এই গুৰুত্বপূৰ্ণ সময়ত অসম চৰকাৰৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৌতম দাসে ৰৰঅসমৰ সকলো ৰাইজৰ প্ৰতি আহ্বান জনাই কয় যে প্ৰকৃতিৰ ঋতু পৰিবৰ্তনৰ সময়তে আপোনাৰ মৰমৰ বাহনখনৰো ইঞ্জিনৰলগতে আনুসঙ্গিক সকলো দিশ পৰীক্ষা কৰক। আপোনাৰ গাড়ীৰ পৰা নিৰ্গত ধোঁৱাই যাতে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰি মানৱজাতিক অসুৰক্ষিত অৱস্থালৈ ঠেলি নিদিয়ে তাৰ প্ৰতি গভীৰভাৱে মনোনিৱেশ কৰক। কিয়নো যানবাহনৰ নিৰ্গত ধোৱা অৰ্থাৎ কাৰ্বন মনক্সাইড মানৱ শৰীৰত নীৰবে প্ৰৱেশ কৰি হাঁওফাঁও আৰু ছালৰ বিভিন্ন জটিল ৰোগ সৃষ্টি কৰে। সেয়ে বৰ্তমান চৰকাৰেও পৰিৱেশ সংৰক্ষণৰ বাবে গছপুলি ৰোপনত অধিক গুৰুত্ব আৰোপ কৰিছে। এনেক্ষেত্ৰত প্ৰত্যেকেই  নিজৰ বাহনসমূহ প্ৰদূষণমুক্ত কৰি নিজকে সুৰক্ষিত কৰাৰ লগতে সমাজখনকো সুৰক্ষিত কৰি ৰাখিব লাগিব। ইয়াৰ বাবে গৰাকীয়ে বাহনৰ প্ৰদূষণমুক্তৰপ্ৰমাণপত্ৰ লগত ৰাখিব লাগিব। কিয়নো প্ৰদূষণমুক্তৰ প্ৰমাণপত্ৰ লগত নাথাকিলে যানবাহন বিধিৰ ১৯০ ধাৰাত ১০হাজাৰ টকাৰ জৰিমনা লোৱাটো নিয়ম। এনেক্ষেত্ৰত অসম চৰকাৰৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৌতম দাসে সকলো যানবাহনৰ গৰাকীক অসমীয়া নতুন বছৰৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে কয় যে গছে বনে নতুন ৰূপধাৰণ কৰাৰ মুহূৰ্ততে আপুনিও আপোনাৰ বাহনখনৰ এক নতুন ৰূপ দি প্ৰদূষণমুক্ত বাহন হিচাপে গঢ়ি তোলক আৰু আজিয়ে প্ৰদূষণমুক্তৰ প্ৰমাণপত্ৰ সংগ্ৰহ কৰিহে বাহন চলাওক।

## শেষ পৃষ্ঠা

# জৰাজীৰ্ণ দলঙেৰে বিপদসংকুল যাত্ৰা




**ই-সংবাদ, বৰমা ৮ এপ্ৰিলঃ** নলবাৰী জিলাৰ টিহু সমষ্টিৰ অন্তৰ্গত ৩১নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী সুৱাদী পথ বিধ্বস্ত হৈ পৰিছে। ফলত অঞ্চলটোৰ ৰাইজে যাতায়াতত জ্বলাকলা খাইছে। পথ-দলং বানত বিধ্বস্ত হোৱাৰ পাছতো দীৰ্ঘদিনে নিৰ্মাণ নকৰাত যাতায়াতত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। জৰাজীৰ্ণ পথ আৰু দলঙেৰে বিপদসংকুল যাত্ৰায়ত অব্যাহত ৰাখিছে। এতিয়া নিৰ্বাচনৰ বতৰ। নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলৰ নেতা-পালিনেতাসকল অঞ্চলটোলৈ আহি ভোট ভিক্ষা কৰিছে। ৰাইজৰ সমস্যাৰ সমাধান কৰাৰ অশ্বাস প্ৰদান কৰিছে। কিন্তু পথটো আৰু দলং চকুত পৰা নাই। বাৰিষাৰ বতৰত এই পথটোৰে যান-বাহন চলাচল কৰিব নোৱাৰে। এম্বুলেন্স সোমাব নোৱাৰে। দলংখনৰ দুৰৱস্থাৰ বাবে এম্বুলেন্স সেৱাও আহি পোৱাত পলম হয় বুলি কয় স্থানীয় লোকসকলে অভিযোগ কৰিছে। এনেদৰেই এতিয় দুৰ্বিসহ দিন পাৰ কৰিছে ৰাইজে। যোৱাটো বানতে ক্ষতিগ্ৰস্ত পথ-দলংৰ মেৰামতি তথা পকী দলং নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ স্থানীয় ৰাইজ তথা বিভিন্ন দল-সংগঠনে দাবী জনাইছে।







# ধূম্ৰপান কৰি থকা যুৱতীৰ ফালে চাই থকাৰ বাবেই হানি-খুচি হত্যা যুৱকক



**ই-সংবাদ, ৮ এপ্ৰিলঃ** ধূম্ৰপান কৰি থকা যুৱতীৰ ফালে চাই থকাৰ বাবেই হানি-খুচি নৃশংসভাৱে হত্যা কৰা হ'ল এজন যুৱকক। এই লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হৈছে নাগপুৰত। শনিবাৰে নিশা সংঘটিত হোৱা এই হত্যাকাণ্ডৰ পিছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে দুই যুৱতী আৰু তেওঁলোকৰ এজন পুৰুষ বন্ধুক। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, শনিবাৰে নিশা মহালক্ষ্মী নগৰৰ এখন পানীয়ৰ দোকানৰ সন্মুখত বৈ চিগাৰেট হুপি আছিল জয়শ্ৰী পাঞ্জাড়ে আৰু সবিতা ছায়েৰ নামৰ দুই যুৱতীয়ে। সেই সময়তে দোকানখনলৈ চিগাৰেট কিনিবলৈ অহা ২৮ বৰ্ষীয় ৰঞ্জিত ৰাথোৰ নামৰ যুৱকজনে এখন্তেক সময় ধূম্ৰপানৰত যুৱতী দুগৰাকীলৈ চাই আছিল। ইয়াকেই লৈ তেওঁলোকৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত জয়শ্ৰী পাঞ্জাড়ে নামৰ যুৱতীগৰাকীয়ে ফোন কৰি আকাশ ৰাউত নামৰ আন এজন যুৱকক ঘটনাস্থলীলৈ মাতি আনে। ইয়াৰ পিছতে আকাশ ৰাউতে ৰঞ্জিত ৰাথোড়ক ছুৰীকাঘাত কৰি সেই স্থানৰ পৰা পলায়ন কৰে। পৰৱৰ্তী সময়ত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰঞ্জিতক নিকতৱৰ্তী হাস্পতাললৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইফালে এই ঘটনাৰ বিষয়ে তথ্য লাভ কৰাৰ লগে লগে ঘটনাস্থলীত আৰক্ষীৰ দল উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে অঞ্চলটোৰ চিচিটিভি ফুটেজৰ পৰা এই হত্যাকাণ্ড নিশ্চিত কৰিছে। আৰক্ষীয়ে ইতিমধ্যে অভিযুক্ত জয়শ্ৰী আৰু সবিতা নামৰ যুৱতী দুগৰাকীৰ লগতে আকাশ ৰাউতকো গ্ৰেপ্তাৰ কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮

বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান